# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 06-04-2024
**Time :** 19:10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, তেওঁৰ চৰকাৰৰ তৃতীয় কাৰ্যকাল দূৰ নহয় আৰু বিজেপি চৰকাৰে প্ৰথম ১০০ দিনৰ ভিতৰতে দুৰ্নীতিৰ বিৰুদ্ধে বৃহৎ সিদ্ধান্ত গ্ৰহণ কৰিব।

২। প্ৰতিৰক্ষা মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ৰাজনাথ সিঙে দেশৰ সীমান্তসমূহ সম্পূৰ্ণৰূপে নিৰাপদ বুলি দেশৰাসীক আশ্বাস দিছে।

৩। কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কৈছে যে, দলে গণতন্ত্ৰ আৰু সংবিধানক ৰক্ষা কৰাৰ বাবে যুঁজ দি আহিছে।

৪। ৰাজস্থান ৰয়েলছ কিছুসময়ৰ পাছত জয়পুৰত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

*আৰু*

৫। ভাৰতৰ অনুপমা উপাধ্যায় আৰু এম থাৰুনে কাজাখস্তান আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগিতাত মহিলা আৰু পুৰুষৰ ছিংগলছৰ খিতাপ অৰ্জন কৰিছে।

০০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কংগ্ৰেছৰ ইস্তাহাৰৰ মিথ্যাচাৰৰ মালিতা বুলি উল্লেখ কৰি আজি কয় যে, তেওঁৰ চৰকাৰৰ তৃতীয় কাৰ্যকাল দূৰ নহয় আৰু বিজেপি চৰকাৰে প্ৰথম ১০০ দিনৰ ভিতৰতে দুৰ্নীতিৰ বিৰুদ্ধে বৃহৎ সিদ্ধান্ত গ্ৰহণ কৰিব। ৰাজস্থানৰ পুস্কৰত আজি বিয়লি এখন নিৰ্বাচনী সভাত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, বিগত ১০ বছৰত এই ক্ষেত্ৰত লোৱা ব্যৱস্থাসমূহ ট্ৰেইলাৰহে আছিল। এইক্ষেত্ৰত যথেষ্ট কৰণীয় আছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয় যে, বৰ্তমানৰ কংগ্ৰেছৰ কোনো নীতি অথবা আদৰ্শ নাই। কংগ্ৰেছে সকলো খিনি চুক্তিত দিয়া যেন প্ৰতীত হোৱা বুলিও তেওঁ উল্লেখ কৰে। শ্ৰীমোদীয়ে কয় যে, এনে ধৰণৰ দল এটাই দেশত স্বাৰ্থৰ হকে কোনো কাম কৰিব নোৱাৰে। তেওঁ কয় যে, বিজেপি এখন নতুন ভাৰত গঢ়িবলৈ বদ্ধপৰিকৰ। আনন্দ, সন্মান, সুৰক্ষা আৰু মহিলা শক্তিৰ সমৃদ্ধি মোদী চৰকাৰৰ নিশ্চয়তা বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। তেওঁ কয় যে, ভাৰতবৰ্ষত ২০৪৭ চনৰ ভিতৰত এখন উন্নত ৰাষ্ট্ৰ ৰূপে গঢ়ি তুলিবলৈ হ'লে দেশৰ অৰ্ধেক জনসংখ্যাৰ অংশগ্ৰহণ বৃদ্ধি কৰিবই লাগিব। তেওঁ লগতে কয় যে, ২০১৪ চনত পূৰ্ণ সংখ্যাগৰিষ্ঠতাৰে ক্ষমতালৈ অহাৰ পাছত চৰকাৰে দেশত গুৰুত্বপূৰ্ণ পৰিৱৰ্তন সূচনা কৰিছে। ভাৰতে সমুদ্ৰত বৃহৎ দলং নিৰ্মাণ কৰিছে বুলিও তেওঁ উল্লেখ কৰে।

০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ৰাজনাথ সিঙে দেশৰ সীমান্তসমূহ সম্পূৰ্ণৰূপে নিৰাপদ বুলি দেশৰাসীক আশ্বাস দিছে। মধ্য প্ৰদেশৰ সিংৰৌলিৰ এখন জনসভাত ভাষণ দি আজি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, কংগ্ৰেছ চৰকাৰৰ শাসন কালত দেশৰ প্ৰান্তে প্ৰান্তে সন্ত্ৰাসবাদী কাৰ্যকলাপ সংঘটিত হৈছিল। কিন্তু বিজেপিৰ শাসন কালত এনে ধৰণৰ ঘটনা বন্ধ হৈছে। বিৰোধী পক্ষক আক্ৰমণ কৰি শ্ৰীসিঙে কয় যে, কংগ্ৰেছ আৰু ইয়াৰ মিত্ৰ দলৰ নেতাসকলে জনসাধাৰণৰ মাজত ভয় আৰু ঘৃণাৰ ভাৱ সৃষ্টি কৰে। বিজেপিয়ে জাতি-ধৰ্ম-ভাষাৰ নামত ভেদ ভাৱ নকৰে বৰং ন্যায় আৰু মানৱতাৰ হকে কাম কৰে বুলি তেওঁ উল্লেখ কৰে। দেশৰ প্ৰগতিত মধ্যপ্ৰদেশৰ দ্বৈত ইঞ্জিন বিশিষ্ট চৰকাৰৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে বুলি শ্ৰীসিঙে মন্তব্য কৰে।

০০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, এইবাৰৰ নিৰ্বাচন অকল চৰকাৰ গঠনৰ নিৰ্বাচন নহয় বৰং এখন উন্নত ভাৰত গঢ়াৰ নিৰ্বাচন। তেওঁ কয় যে, যোৱা ৫ বছৰত ভাৰত বিশ্বৰ পঞ্চম সৰ্ববৃহৎ অৰ্থনীতিৰূপে পৰিগণিত হৈছে। বিজেপি প্ৰাৰ্থী ৰাঘৱ লখনপাল আৰু কৈৰানাৰ বিজেপি প্ৰাৰ্থী প্ৰদীপ চৌধৰীৰ হৈ ছাহাৰানপুৰৰ এখন জনসভাত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে আজি এইদৰে প্ৰকাশ কৰে। এই সভাত বিজেপিৰ জ্যেষ্ঠ নেতা তথা উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথেও অংশগ্ৰহণ কৰে।

আমাৰ সংবাদদাতাই জনোৱা অনুসৰি জনসভাত ভাষণ দি শ্ৰীমোদীয়ে কয় যে, অভিপ্ৰায় সঠিক হ'লে ফলাফলো সঠিক হয়। বিজেপিৰ চৰকাৰে কোনো ধৰণৰ ভেদাভেদ অবিহনে কাম কৰি আহিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, চৰকাৰে নিজৰ নীতিসমূহ দেশৰ প্ৰতিজন লোকৰ কাষ লৈ যাব বিচাৰে আৰু এই উদ্দেশ্যেৰে দলে বিগত ১০ বছৰত কাম কৰিছে। এয়াই প্ৰকৃত ধৰ্ম নিৰপেক্ষতা আৰু সামাজিক ন্যায় বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। আজি বিজেপিৰ প্ৰতিষ্ঠা দিৱস বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে, কেইটামান দশকৰ ভিতৰতে অভিলেখ সংখ্যক জনসাধাৰণে বিজেপিত যোগদান কৰিছে কিয়নো দলটোৱে জনসাধাৰণৰ আস্থা আৰু হৃদয় জিনিবলৈ সমৰ্থ হৈছে। বিজেপিৰ বাবে ৰাষ্ট্ৰৰ প্ৰথম কেৱল এটা শ্ল'গানেই নহয় বৰং বিশ্বাস বুলি প্ৰধানমন্ত্ৰীয়ে অভিহিত কৰে। শ্ৰীমোদীয়ে কয় যে, বিজেপিয়ে সৰ্বাংগীন উন্নয়নৰ হকে কাম কৰি আহিছে আৰু ইয়াৰ ফলস্বৰূপে প্ৰতিগৰাকী ভাৰতীয়ৰ জীৱন-ধাৰণ সুচল হৈ উঠিছে। বিগত ১০ বছৰত চৰকাৰে খেতিয়কসকলৰ উন্নয়নৰ হকে অহৰহভাৱে কাম কৰি আহিছে বুলিও প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০০০

কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কৈছে যে, দলে গণতন্ত্ৰ আৰু সংবিধানক ৰক্ষা কৰাৰ বাবে যুঁজ দি আহিছে। জয়পুৰত আজি বিয়লি এখন নিৰ্বাচনী সভাত ভাষণ দি শ্ৰীখাৰ্গেই এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, কংগ্ৰেছে ইয়াৰ ৫৫ বছৰীয়া শাসন কালত উন্নয়নৰ হকে কাম কৰিছে, আন্তঃগাঁথনি গঢ়ি তুলিছে, আই আই টি, আই আই এমৰ দৰে প্ৰতিষ্ঠান স্থাপন কৰাৰ বিপৰীতে কংগ্ৰেছ চৰকাৰে স্থাপন কৰা ৰে'লপথেৰে নতুন ৰে'লগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰি বিজেপিয়ে কৃতিত্ব লৈছে। বিজেপিয়ে গেৰাণ্টি শব্দটো চুৰি কৰা বুলি অভিযোগ উত্থাপন কৰি শ্ৰীখাৰ্গেই কয় যে, কংগ্ৰেছে যিসমূহ ৰাজ্যত ক্ষমতাত আছিল সেইসমূহ ৰাজ্যত প্ৰতিশ্ৰুতি পূৰণ কৰিছে। কংগ্ৰেছ ৫৫ বছৰত কৰা কামৰ খতিয়ান দিবলৈ সাজু বুলিও তেওঁ উল্লেখ কৰে। নিৰ্বাচনী সভাত ভাষণ দি কংগ্ৰেছৰ নেত্ৰী তথা দলৰ প্ৰাক্তন সভানেত্ৰী ছোনীয়া গান্ধীয়ে কয় যে, বিগত ১০ বছৰত দেশ এনে এখন চৰকাৰৰ হাতত আছে যিখন

চৰকাৰে কৰ্ম সংস্থাপনহীনতা, মুদ্ৰাস্ফীতি, অৰ্থনৈতিক বিপৰ্যয় আৰু অসমতা বৃদ্ধিত হাত উজান দিছে। তেওঁ লগতে কয় যে, দেশ অকল কেইজনমানৰ সম্পত্তি নহয়, বৰং সকলোৰে।

০০০০০০০

বিদেশ মন্ত্ৰী ড° এছ্ শংকৰে কৈছে যে, লাঅ'ছৰ পৰা ১৭ গৰাকী ভাৰতীয়ক নিৰাপদে স্বদেশলৈ ঘূৰাই অনাৰ ব্যৱস্থা কৰা হৈছে। ড° জয়শংকৰে আজি সামাজিক মাধ্যম যোগে লোক কেইজনক নিৰাপদে স্বদেশলৈ ঘূৰাই অনাৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোগিতাৰ বাবে লাঅ'ছত থকা ভাৰতীয় দূতাবাসৰ বিষয়াসকলক ধন্যবাদ জ্ঞাপন কৰে। লোককেইজন প্ৰলোভনৰ বলি হৈ লাঅ'ছত আবদ্ধ হৈ আছিল।

০০০০০০০

আম আদমী পাৰ্টীয়ে দল আৰু দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ বিৰুদ্ধে মিছা অভিযোগ উত্থাপন কৰাৰ বাবে বিজেপিক তীব্ৰ সমালোচনা কৰিছে। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত দলৰ নেতা তথা মন্ত্ৰী আতিশীয়ে বিজেপিয়ে আম আদমী পাৰ্টিৰ নেতাসকলক দুৰ্বল কৰাৰ বাবে চৰকাৰী ব্যৱস্থাৰ অপব্যৱহাৰ কৰা বুলি অভিযোগ কৰে। নেতাগৰাকী বিধি বলৱৎকাৰী সঞ্চালকালয়ে আবকাৰী কেলেংকাৰী গোচৰত ধন লাভ কৰা নাই বুলি দাবী কৰে। এই প্ৰসংগত গোৱাৰ আদালতে অৰৱিন্দ কেজৰিৱালৰ বিৰুদ্ধে থকা গোচৰ বাতিল কৰাৰ কথা শ্ৰীমতী আতিশীয়ে উল্লেখ কৰে। তেওঁ কয় যে, বিজেপিয়ে যদিহে আম আদমী পাৰ্টিৰ বিৰুদ্ধে ৰাজনৈতিক যুঁজত ব্ৰতী হ'ব বিচাৰিছে তেন্তে দলটোৰে ৰাজনৈতিক যুদ্ধক্ষেত্ৰত অৱতীৰ্ণ হোৱা উচিত। ইপিনে, বিজেপিয়ে শ্ৰীমতী আতিশী ভুৱা সাধু কোৱাত দক্ষ বুলি অভিহিত কৰে। দিল্লী বিজেপিৰ সভাপতি বীৰেন্দ্ৰ সচদেৱাই অৰ্থনীতিক সমলৰ আৱশ্যকতা পূৰণৰ বাবে আম আদমী পাৰ্টীয়ে সুৰা নীতি প্ৰস্তুত কৰা বুলি অভিযোগ তোলে। তেওঁ লগতে সুৰা নীতিত যদি কোনো ধৰণৰ অনিয়ম হোৱাই নাছিল তেন্তে কেজৰিৱাল চৰকাৰে চি বি আইৰ তদন্তৰ নিৰ্দেশ দিয়াৰ লগে লগে কিয় এই নীতি প্ৰত্যাহাৰ কৰিলে বুলি প্ৰশ্ন তোলে। নেতাগৰাকীয়ে সুৰা কেলেংকাৰিক জলজল পটপট হৈ পৰা গোচৰ বুলি অভিহিত কৰে।

০০০০০০০

দিল্লীৰ এখন আদালতে দিল্লী আবকাৰী নীতি কেলেংকাৰী সম্পৰ্কীয় ক'লা ধন বৈধকৰণৰ গোচৰত আম আদমী পাৰ্টিৰ নেতা তথা দিল্লীৰ প্ৰাক্তন উপ মুখ্যমন্ত্ৰী মনীষ ছিছোদিয়াৰ ন্যায়িক জিম্মাৰ ম্যাদ ১৮ এপ্ৰিললৈ বৃদ্ধি কৰিছে। পূৰ্বৰ ন্যায়িক জিম্মাৰ ম্যাদ শেষ হোৱাৰ পাছত আজি ন্যায়ালয়ত হাজিৰ কৰাৰ সময়ত ৰাউজ আদালতৰ বিশেষ ন্যায়াধীশ কাবেৰী বাৱেজাই আম আদমী পাৰ্টিৰ নেতাগৰাকীক ন্যায়িক জিম্মাৰ ম্যাদ বৃদ্ধিৰ নিৰ্দেশ দিয়ে। এই গোচৰৰ সহ আৰোপী আম আদমী পাৰ্টিৰ নেতা সঞ্জয় সিঙো আজি ন্যায়িক প্ৰক্ৰিয়াৰ বাবে আদালতৰ সন্মুখত হাজিৰ হয়। সঞ্জয় সিঙে অলপতে এই গোচৰত জামিন লাভ কৰিছে। চি বি আই আৰু বিবি বলৱৎকাৰী সঞ্চালকালয়ে আম আদমী পাৰ্টিৰ এই নেতা দুগৰাকীক আবকাৰী নীতি সম্পৰ্কীয় অনিময়ৰ সৈতে জড়িত বুলি অভিযোগ উত্থাপন কৰিছে।

০০০০০০০

ৰাজস্থান ৰয়েলছ কিছুসময়ৰ পাছত জয়পুৰত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

প্ৰতিযোগিতাত কালি নিশা হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে চেন্নাই চুপাৰ কিংছক ৬ উইকেটত পৰাজিত কৰে। ১৬৬ ৰাণৰ বিজয় লক্ষ্যৰে খেলিবলৈ লোৱা ছানৰাইজাৰ্ছ হায়দৰাবাদে ১৮ অভাৰ আৰু এটা বলত ৬টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ইয়াৰ পূৰ্বে চেন্নাই চুপাৰ কিংছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ১৬৫ ৰাণ সংগ্ৰহ কৰে।

০০০০০০০

ভাৰতৰ অনুপমা উপাধ্যায় আৰু এম থাৰুনে কাজাখস্তান আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগিতাত মহিলা আৰু পুৰুষৰ ছিংগলছৰ খিতাপ অৰ্জন কৰিছে। অনুপমাই আজি আস্তানাত অনুষ্ঠিত ফাইনেলত সতীৰ্থ খেলুৱৈ ঈষাৰাণী বৰুৱাক ২১-১৫, ২১-১৬ গেমত পৰাস্ত কৰে। আনহাতে থাৰুনে মালয়েছিয়াৰ ছুং জু ৰেনক ২১-১০, ২১-১৯ গেমত পৰাজিত কৰি খেলুৱৈ জীৱনৰ প্ৰথমটো আন্তঃৰাষ্ট্ৰীয় খিতাপ হস্তগত কৰে।

অৱশ্যে ভাৰতৰ সঞ্জয় শ্ৰীৱট্‌ছ ধনৰাজ আৰু মনিষা কেৰ যুটিতো মিক্সড ডাবলছৰ ফাইনেলত মালেয়েচিয়াৰ ৱোং টিয়েন চি আৰু লিম চিৰ চিয়েনৰ হাতত ২১-৯, ৭-২১, ১২-২১ গেমত পৰাজিত হয়।

০০০০০০০

**সমাপ্ত**